অধ্যায় ৫ ঃ মুদ্রাৰ যোগান

অধ্যায় গাঁথনি ঃ

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ মুদ্রাৰ যোগানৰ সংজ্ঞা
৫.৪ মুদ্রাৰ যোগানৰ কাৰকসমূহ
৫.৫ মুদ্রা গুণকৰ ধাৰণা
৫.৬ ঋণ গুণকৰ ধাৰণা
৫.৭ মুদ্রাৰ ব্যৱহাৰিক মাপ
৫.৭.১ মুদ্রাৰ সংকীর্ণ সংজ্ঞা
৫.৭.২ মুদ্রাৰ বিস্তৃত সংজ্ঞা
৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৯ অধিক জানিবৰ বাবে
৫.১০ অগ্রগতিৰ খতিয়ান
৫.১১ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মুদ্রাৰ যোগানৰ বিষয়ে জানিব পাৰিব
- মুদ্রাৰ যোগানৰ কাৰকসমূহৰ বিষয়ে জানিব পাৰিব
- জমা বা ঋণ গুণকৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- মুদ্রাৰ গুণকৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- মুদ্রাৰ ব্যৱহাৰিক মাপৰ বিষয়ে জ্ঞাত হ'ব।

৫.২ পৰিচয়

এই পাঠটোৱে আপোনাক মুদ্রাৰ যোগান, মুদ্রাৰ যোগানৰ কাৰকসমূহ, ঋণ গুণকৰ ধাৰণা আৰু মুদ্রাৰ গুণকৰ বিষয়ে পৰিচয় কৰাই দিব।

সাধাৰণতে, "মুদ্রাৰ যোগান" কথাষাৰে কোনো এক নির্দিষ্ট সময়ত অর্থনীতিত প্রচলিত জনসাধাৰণৰ হাতত থকা নগদ মুদ্রা আৰু সকলো তৰল আহিলাৰ সমষ্টিক বুজায়। ইয়াত "জনসাধাৰণ" শব্দটোৱে অর্থনীতিত থকা সকলো ব্যক্তি আৰু ব্যৱসায়িক প্রতিষ্ঠানক বুজায় (কেন্দ্রীয় চৰকাৰ, কেন্দ্রীয় বেংক আৰু বাণিজ্যিক বেংকক বাদ দি)। সাধৰণতে যিয়ে

লেনদেনৰ মাধ্যম হিচাপে কাম কৰে আৰু যাক ঋণ পৰিশোধৰ ব্যৱস্থাপনা হিচাপে গ্ৰহণ কৰা হয় তাকে মুদ্রা বুলি ধৰা হয়।

মুদ্রাৰ যোগানৰ বহুতো কাৰক আছে, যেনে— মুদ্রাগত আধাৰ, মুদ্রা গুণক, সংৰক্ষণ অনুপাত, মুদ্রা অনুপাত, বেংক মুদ্রাৰ বিশ্বাসযোগ্যতা, কাল জমা অনুপাত, প্ৰকৃত আয়, সুতৰ হাৰ, মুদ্রানীতি আৰু ঋতুগত কাৰক আৰু মানুহৰ মুদ্রা জমা ৰখাৰ আকাংক্ষা ইত্যাদি।

মুদ্রা গুণক হ'ল প্ৰতি একক সংৰক্ষিত মুদ্রাই সৃষ্টি কৰা মুদ্রা। মুদ্রা গুণকৰ মান নিৰ্ভৰ কৰে আকাংক্ষিত মুদ্রা জমা অনুপাত আৰু অতিৰিক্ত জমা অনুপাতৰ ওপৰত।

ঋণ গুণক, যাক ঋণ সম্প্ৰসাৰণ গুণক বুলিও জনা যায়, সেয়া হ'ল বেংকে ইয়াৰ প্ৰয়োজনীয় সংৰক্ষিত মুদ্রাৰ বাহিৰে অতিৰিক্ত মূলধনখিনি ঋণ প্ৰদান প্ৰক্ৰিয়াৰ জৰিয়তে মুদ্রাৰ যোগানত সৃষ্টি কৰা অতিৰিক্ত মুদ্রা।

৫.৩ মুদ্রাৰ যোগানৰ সংজ্ঞা

যদিওবা দীৰ্ঘ সময়ত মুদ্রা যোগানক প্ৰবাহ হিচাপে গণ্য কৰা হয়, কোনো এক নিৰ্দিষ্ট সময়ত ইয়াক মজুত বুলি ধৰা হয়। 'মুদ্রাৰ যোগান' কথাষাৰ 'মুদ্রাৰ মজুত' আৰু 'মুদ্রাৰ পৰিমাণ' আদিৰ লগত সদৃশ। মুদ্রাৰ যোগান হ'ল এক নীতিগত চলক (Policy variable) যাক মুদ্রা কৰ্তৃপক্ষ, বেংক আৰু জনসাধাৰণৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়।

যি কি নহওক, অধিকাংশ সময়ত মুদ্রা কৰ্তৃপক্ষই মুদ্রাৰ যোগান নিৰ্ধাৰণত নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰে। মুদ্রাৰ যোগানৰ কাৰ্যকাৰ্যটো অধ্যয়ন কৰাৰ বাবে দুই প্ৰকাৰৰ মুদ্রা, যেনে— সাধাৰণ মুদ্রা আৰু উচ্চ ক্ষমতাসম্পন্ন মুদ্রাৰ মাজত থকা প্ৰভেদ জনা দৰকাৰ। ৰিজাৰ্ভ বেংকে দিয়া সকলো ব্যৱহাৰিক মুদ্রাৰ মাপ যেনে— M_1, M_2, M_3 আৰু M_4ক সাধাৰণ মুদ্রা হিচাপে জনা যায়। আনহাতে উচ্চ ক্ষমতাসম্পন্ন মুদ্রা জনসাধাৰণ আৰু বেংকে জমা ৰখা মুদ্রাৰ পৰা ৰিজাৰ্ভ বেংক আৰু চৰকাৰে সৃষ্টি কৰে। মুঠ মুদ্রাৰ যোগান বিভিন্ন কাৰকে নিৰ্ধাৰণ কৰে, যিবোৰ এই পাঠৰ পৰৱৰ্তী অংশত অধ্যয়ন কৰা হ'ব।

৫.৪ মুদ্রাৰ যোগানৰ কাৰকসমূহ

মুদ্রাৰ যোগান নিৰ্ণয়ৰ মূলতঃ দুটা তত্ত্ব আছে। প্ৰথম অভিমত মতে, মুদ্রাৰ যোগান বাহ্যিকভাৱে কেন্দ্ৰীয় বেংকে নিৰ্ণয় কৰে। দ্বিতীয় অভিমত মতে, মুদ্রাৰ যোগান অৰ্থনৈতিক কাৰ্যকলাপৰ দ্বাৰা নিৰ্ধাৰিত হয় যিয়ে মানুহৰ মুদ্রা জমা ৰখাৰ আকাংক্ষা আৰু সুতৰ হাৰৰ ওপৰত প্ৰভাৱ পেলায়।

বহুলভাৱে মুদ্রাৰ যোগানৰ কাৰকসমূহক দুই শ্ৰেণীত ভাগ কৰিব পাৰি, যেনে— মুদ্রাগত আধাৰ আৰু মুদ্রা গুণক। মুদ্রাৰ এই দুই বিস্তৃত কাৰকক অন্য কিছুমান কাৰকে প্ৰভাৱান্বিত কৰে। তলত মুদ্রা যোগানৰ এই কাৰকসমূহ আলোচনা কৰা হ'ল—

- **মুদ্রাগত আধাৰ (The Mouetary Base) ঃ** মুদ্রাৰ আধাৰক মুদ্রাৰ যোগান নিৰ্ণয়ৰ

আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক বুলি বিবেচনা কৰা হয়। মুদ্রাৰ আধাৰৰ পৰিৱৰ্তনে মুদ্রাৰ যোগানত পোনপটীয়াকৈ পৰিৱৰ্তন আনে। মুদ্রাৰ আধাৰে কেন্দ্রীয় বেংকৰ নগদ মুদ্রা বা জমা হিচাপে ব্যৱহাৰযোগ্য মুদ্রা পুঁজিক সূচায়। চৰকাৰৰ নীতিৰ বাবে মুদ্রাৰ আধাৰৰ পৰিৱৰ্তন হয় নতুবা মুদ্রাৰ মূল্যই মুদ্রাৰ আধাৰৰ ওপৰত প্রভাৱ পেলায়। পাঠৰ এই অংশত মুদ্রাৰ আধাৰ আৰু উচ্চ ক্ষমতাসম্পন্ন মুদ্রাৰ মাধ্যমত মুদ্রাৰ যোগান নির্ধাৰণৰ বিষয়ে বর্ণনা কৰা হ'ব। উচ্চ ক্ষমতাসম্পন্ন মুদ্রা হৈছে বাণিজ্যিক বেংকৰ মুঠ মুদ্রাৰ সংৰক্ষণ আৰু জনসাধাৰণৰ দ্বাৰা সংৰক্ষিত মুদ্রাৰ সমষ্টি। উচ্চ ক্ষমতাসম্পন্ন মুদ্রা হ'ল বেংকৰ সংৰক্ষণ আৰু মুদ্রাৰ যোগান সৃষ্টিৰ মূল আধাৰ। সেয়েহে, দেখা যায় যে, মুদ্রাৰ আধাৰৰ পৰিৱৰ্তনত পোনপটীয়াকৈ মুদ্রাৰ যোগানৰ পৰিৱৰ্তন হয় আৰু চলিত বা সংৰক্ষণ অনুপাতৰ পৰিৱৰ্তনত বিপৰীতক্রমে মুদ্রাৰ যোগানৰ পৰিৱৰ্তন হয়।

- **মুদ্রা গুণক (Money Multiplier) ঃ** মুদ্রাৰ যোগানৰ লগত মুদ্রা গুণকৰ (m) এটা ধনাত্মক সম্বন্ধ আছে। m ৰ আকাৰ বৃদ্ধিয়ে মুদ্রা যোগানৰ বৃদ্ধি কৰে আৰু m ৰ পৰিমাণ হ্রাসে মুদ্রাৰ যোগান হ্রাস কৰে। এই পাঠৰ পৰৱর্তী অংশত মুদ্রা গুণকৰ বিষয়ে বিস্তৃত বিৱৰণ দিয়া হৈছে।
- **বেংকৰ সংৰক্ষণৰ পৰিমাণ (The Level of Bank Reserves) ঃ** বেংকৰ সংৰক্ষণৰ পৰিমাণ হৈছে মুদ্রাৰ যোগান নিয়ন্ত্রণৰ আন এক কাৰক। বাণিজ্যিক বেংকৰ মুদ্রা সংৰক্ষণে কেন্দ্রীয় বেংকত জমা ৰখা মুদ্রা আৰু নিজা সংৰক্ষিত পুঁজিক অন্তর্ভুক্ত কৰে। দেশৰ কেন্দ্রীয় বেংকে মুদ্রাৰ যোগান নিয়ন্ত্রণৰ ক্ষেত্রত বাণিজ্যিক বেংকৰ সংৰক্ষণতো প্রভাৱ পেলায়।

  সকলো বাণিজ্যিক বেংকে কেন্দ্রীয় বেংকত ইয়াৰ কাল সংৰক্ষণ আৰু চাহিদা সংৰক্ষণৰ এক নির্দিষ্ট অংশ জমা ৰাখিব লাগে। ই হ'ল বিধিগত নিম্নতম বা প্রয়োজনীয় সংৰক্ষণ। প্রয়োজনীয় সংৰক্ষণৰ পৰিমাণক প্রয়োজনীয় সংৰক্ষণ অনুপাত আৰু বাণিজ্যিক বেংকৰ জমাৰ পৰিমাণৰ দ্বাৰা নির্ধাৰণ কৰা হয়। উদাহৰণ স্বৰূপে, যদি মুঠ জমাৰ পৰিমাণ ১০০ লাখ আৰু প্রয়োজনীয় সংৰক্ষণ অনুপাত ২০ শতাংশ হয়, তেন্তে প্রয়োজনীয় সংৰক্ষণ হ'ব ২০% × ১০০ লাখ = ২০ লাখ, যদি প্রয়োজনীয় সংৰক্ষণ অনুপাত ১০ শতাংশলৈ হ্রাস কৰা হয়, প্রয়োজনীয় সংৰক্ষণৰ পৰিমাণো ১০ লাখলৈ হ্রাস পাব। সেয়েহে প্রয়োজনীয় সংৰক্ষণৰ অনুপাত যিমানেই অধিক হয় প্রয়োজনীয় সংৰক্ষণৰ পৰিমাণো সিমানেই অধিক হ'ব আৰু ইয়াৰ বিপৰীতে তাৰ ওলোটাটো ঘটে। কিন্তু অতিৰিক্ত সংৰক্ষণহে মুদ্রাৰ যোগানৰ দৰকাৰী কাৰক। অতিৰিক্ত সংৰক্ষণ হৈছে মুঠ সংৰক্ষণ আৰু প্রয়োজনীয় সংৰক্ষণৰ মাজৰ পার্থক্য। যদি মুঠ সংৰক্ষণ ১০০ লাখ আৰু প্রয়োজনীয় সংৰক্ষণ ২০ লাখ, তেতিয়া হ'লে অতিৰিক্ত সংৰক্ষণৰ পৰিমাণ হ'ব ৮০ লাখ। অর্থাৎ (১০০–২০) লাখ = ৮০ লাখ।

যদি প্রয়োজনীয় সংৰক্ষণ ১০ লাখলৈ হ্রাস হয় তেন্তে অতিৰিক্ত সংৰক্ষণ ৯০ লাখলৈ বৃদ্ধি হ'ব। গতিকে অতিৰিক্ত সংৰক্ষণে বাণিজ্যিক বেংকৰ জমা বিনিয়োগত প্রভাৱ পেলায়। বাণিজ্যিক বেংকে ইয়াৰ অতিৰিক্ত সংৰক্ষণৰ পৰিমাণৰ সমান ঋণ প্রদান কৰে, যি মুদ্রাৰ যোগানৰ এক দৰকাৰী উপাদান। মুদ্রাৰ যোগান নির্ধাৰণ কৰিবলৈ কেন্দ্রীয় বেংকে মুক্ত বজাৰ কার্য্যাৱলী আৰু ৰেহাই হাৰ নীতিৰ দ্বাৰা বাণিজ্যিক বেংকৰ সংৰক্ষণত প্রভাৱ পেলায়। মুক্ত বজাৰ কায্যাৱলীয়ে চৰকাৰী আৰু অনা-চৰকাৰী বা ব্যক্তিগত সম্পদ যেনে মুল্যপত্র, ঋণপত্র, লেনদেন চুক্তিপত্র ইত্যাদি মুক্ত বজাৰত ক্রয়-বিক্রয়ক বুজায়। যেতিয়া কেন্দ্রীয় বেংকে মুক্ত বজাৰত ঋণ পত্র কিনে বা বিক্রী কৰে, বেংকৰ সংৰক্ষণ পৰিমাণ বৃদ্ধি বা হ্রাস হয়। ঋণ পত্র ক্রয় কৰা সময়ত কেন্দ্রীয় বেংকে ঋণপত্রৰ বিপৰীতে নির্দিষ্ট পৰিমাণৰ চেক প্রদান কৰে আৰু ঋণপত্র সংৰক্ষণকাৰীসকলে এই চেক বাণিজ্যিক বেংকত জমা কৰাৰ ফলত মুদ্রাৰ সংৰক্ষণ বৃদ্ধি পায়। বিপৰীত ক্রমে, যেতিয়া কেন্দ্রীয় বেংকে জনসাধাৰণলৈ ঋণপত্র বিক্রী কৰে, তেতিয়া বাণিজ্যিক বেংকে নগদ মুদ্রা বা চেকৰ জৰিয়তে কেন্দ্রীয় বেংকক ধন আদায় দিয়ে আৰু ফলস্বৰূপে বাণিজ্যিক বেংকত মুদ্রাৰ সংৰক্ষণ হ্রাস পায়। বেংকৰ হাৰ নীতিয়ে বাণিজ্যিক বেংকৰ ব্যয় আৰু ঋণ প্রদানত প্রভাৱ বিস্তাৰৰ দ্বাৰা মুদ্রাৰ যোগানত ক্রিয়া কৰে। ভাৰতত 'বেংকৰ হাৰে' বাণিজ্যিক বেংকে কেন্দ্রীয় বেংকৰ পৰা লোৱা ঋণৰ সুতৰ হাৰক বুজায়। উচ্চ বেংকৰ হাৰৰ অর্থ হ'ল বাণিজ্যিক বেংকে কেন্দ্রীয় বেংকৰ ঋণপত্রসমূহ বিক্রী কৰি কম ধন সংগ্রহ কৰে। ফলস্বৰূপে বাণিজ্যিক বেংকে গ্রাহকক প্রদান কৰা ঋণৰ হাৰ বৃদ্ধি কৰিব, গতিকে ঋণ ব্যয়বহুল হয়। সেয়েহে বাণিজ্যিক বেংকৰ ঋণ প্রদান ক্ষমতা সংকুচিত হয়। সেইদৰে বেংকৰ হাৰ হ্রাসৰ বেলিকা বাণিজ্যিক বেংকৰ ঋণ প্রদান ক্ষমতা বৃদ্ধি হয়। উল্লেখনীয় যে, বেংকৰ হাৰ ব্যৱস্থা আৰু মুক্ত বজাৰ ব্যৱস্থা উভয়ে উভয়ৰ পৰিপূৰক হ'লেহে বাণিজ্যিক বেংকৰ মুদ্রাৰ যোগানত ফলপ্রসূ প্রভাৱ পৰে। অন্যথা মুদ্রাৰ যোগানৰ কাৰক হিচাপে ইহঁত ক্রিয়াহীন তথা প্রভাৱ সীমিত হয়।

- **তাৰল্য অনুপাত (Statutory Liquidity Ratio) ঃ** নগদ বিধিসংগত জমাৰ অনুপাতৰ উপৰিও বাণিজ্যিক বেংকে মুদ্রাক নগদ মুদ্রা, সোণ অথবা সুবিধাজনক অনুমোদিত ঋণপত্রৰ আকাৰত তৰল অৱস্থাত জমা কৰি ৰাখিব লাগে যাক বিধিসংগত তাৰল্য অনুপাত (SLR) বুলি জনা যায়। বিধিসংগত তাৰল্য অনুপাত মুদ্রাৰ যোগান নির্ণয়ৰ অন্য এক মাপকাঠি। বিধিসংগত তাৰল্য অনুপাতৰ হাৰ বৃদ্ধিয়ে বাণিজ্যিক বেংকৰ ঋণ প্রদান ক্ষমতা হ্রাস কৰে ফলত মুদ্রাৰ যোগান হ্রাস পায় আৰু এই অনুপাতৰ হ্রাসে বাণিজ্যিক বেংকৰ ঋণ প্রদান ক্ষমতাৰ লগতে মুদ্রাৰ যোগানো বৃদ্ধি কৰে। বর্তমান (২০১৩ চনৰ জুলাই মাহৰ তথ্যৰ ভিত্তিত) ভাৰতৰ বিধিসংগত তাৰল্য অনুপাত ৰিজার্ভ বেংকে ২৩% স্থিৰ কৰিছে।

- **মুক্ত বজাৰৰ কার্যাৱলী (Open Market Operation) ঃ** মুক্ত বজাৰৰ কার্যাৱলীৰ জৰিয়তেও কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকৰ মুদ্রাৰ যোগান নিয়ন্ত্রণ কৰে। ইয়াৰ ভিতৰত মুক্ত বজাৰত চৰকাৰী ঋণপত্র অথবা, অন্যান্য আদেশ পত্র, ঋণ পত্র, চৰকাৰী আৰু বেচৰকাৰী লেনদেন চুক্তিপত্র আদিৰ ক্রয়-বিক্রয়ক বুজায়। কেন্দ্রীয় বেংকে যেতিয়া মুক্ত বজাৰত ঋণ পত্রসমূহৰ ক্রয়-বিক্রয় কৰে বাণিজ্যিক বেংকৰ জমাৰ পৰিমাণত ইয়াৰ প্রভাৱ পৰে। কেন্দ্রীয় বেংকে যেতিয়া ঋণ পত্র গ্রাহকৰ পৰা ক্রয় কৰে তেতিয়া ইয়াৰ বিপৰীতে চেক প্রদান কৰে আৰু গ্রাহকসকলে এই চেক বাণিজ্যিক বেংকত জমা কৰে, ফলত বাণিজ্যিক বেংকৰ জমা বৃদ্ধি পায়। বিপৰীতক্রমে কেন্দ্রীয় বেংকে এইবোৰ ক্রয় কৰাৰ ক্ষেত্রত বাণিজ্যিক বেংকৰ জমা হ্রাস হয়।
- **বাট্টা বা ৰেহাই হাৰ নীতি (Discount Rate Policy) ঃ** ৰেহাই হাৰ নীতিয়ে বাণিজ্যিক বেংকলৈ কেন্দ্রীয় বেংকে আগবঢ়োৱা ঋণৰ ব্যয় আৰু যোগানৰ ওপৰত প্রভাৱৰ জৰিয়তে মুদ্রাৰ যোগানত ক্রিয়া কৰে। ভাৰতত ইয়াক বেংকৰ হাৰ বুলি জনা যায়। ই হ'ল এক সুতৰ হাৰ যি হাৰত বাণিজ্যিক বেংকে কেন্দ্রীয় বেংকৰ পৰা ঋণ লাভ কৰে। এক উচ্চ হাৰৰ অর্থ হ'ল বাণিজ্যিক বেংকে ঋণ পত্র বিক্রীৰ জৰিয়তে কেন্দ্রীয় বেংকৰ পৰা কম পৰিমাণৰ ঋণ লাভ কৰে। ইয়াৰ বিপৰীতে, বাণিজ্যিক বেংকে গ্রাহকলৈ আগবঢ়োৱা ঋণৰ সুতৰ হাৰ বৃদ্ধি কৰে ফলত ঋণ ব্যয়বহুল হয়। এইদৰে বাণিজ্যিক বেংকে আগবঢ়োৱা ঋণৰ সংকোচন ঘটে। বেংকৰ হাৰ হ্রাসৰ বেলিকা ইয়াৰ ওলোটাটো ঘটে।
- **জনসাধাৰণৰ মুদ্রা আৰু জমা সংৰক্ষণ প্রৱণতা (Public Desire to hold Currency and Deposits) ঃ** জনসাধাৰণে বেংকত জমা ৰখা মুদ্রাৰ তুলনাত হাতে জমা ৰখা মুদ্রায়ো মুদ্রা যোগান নির্ধাৰণ কৰে। যদিহে জনসাধাৰণৰ হাতে জমা ৰখাতকৈ বেংকত মুদ্রা জমা ৰখাৰ প্রৱণতা অধিক হয়, তেন্তে মুদ্রাৰ যোগান অধিক হয়। এনে ক্ষেত্রত বেংকে মুদ্রাৰ প্রচলনৰ বৃদ্ধি কৰিব পাৰে। আনহাতে যদি জনসাধাৰণে বেংকত জমা ৰখাৰ পৰিৱর্তে হাতত অধিক মুদ্রা জমা ৰাখিব বিচাৰে তেন্তে বাণিজ্যিক বেংকৰ মুদ্রাৰ আমানত সৃষ্টিৰ জৰিয়তে মুদ্রাৰ যোগান বৃদ্ধিৰ ক্ষমতা হ্রাস পায়।
- **কাল সংৰক্ষণ অনুপাত (Time-Deposit Ratio) ঃ** কাল-সংৰক্ষণ অনুপাত (t), যিয়ে কাল সংৰক্ষণ আৰু চাহিদা সংৰক্ষণৰ মাজৰ অনুপাতক বুজায়, ই হ'ল এক ব্যৱহাৰিক একক যিয়ে মুদ্রা গুণক (m) আৰু মুদ্রাৰ যোগানৰ ওপৰত ঋণাত্মক প্রভাৱ পেলায়। গতিকে t আৰু m ৰ বৃদ্ধিয়ে মুদ্রাৰ যোগান হ্রাস ঘটায়।
- **মুদ্রা নীতি (Monetary Policy) ঃ** সংজ্ঞা মতে মুদ্রানীতি হ'ল মুদ্রাৰ যোগান নির্ণয়ৰ আটাইতকৈ দৰকাৰী কাৰক। মুদ্রানীতিৰ পৰিৱর্তনে সমগ্র বেংক ব্যৱস্থাতোত আৰু মানুহে মুদ্রা হাতে জমা ৰখা প্রৱণতাত প্রভাৱ বিস্তাৰ কৰে। মুদ্রানীতিয়ে CRR, SLR,

Repo Rate, Reverse Repo Rate, মুদ্রা বজাৰ ব্যৱস্থাপনা, বাচনিভুক্ত ঋণ নিয়ন্ত্রণ পদ্ধতি আদিৰ নির্ণয়ৰ জৰিয়তে মুদ্রাৰ যোগান নিয়ন্ত্রণ কৰে।



অনুশীলনী ৫.১

আপুনি ভাবেনে, জনসাধাৰণৰ মুদ্রা জমা ৰখা প্রৱণতা মুদ্রাৰ যোগান নির্ণয়ৰ দৰকাৰী কাৰক? কাল্পনিক উদাহৰণৰ সহায়ত বর্ণনা কৰক।

.....

.....

.....

.....



অগ্রগতিৰ খতিয়ান

প্রশ্ন ১ ঃ মুদ্রাৰ আধাৰৰ পৰিৱর্তনৰ ফলত পোনপটীয়াকৈ মুদ্রাৰ যোগান পৰিৱর্তন হয়। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ২ ঃ বেংক মুদ্রাৰ বিশ্বাসযোগ্যতা মুদ্রাৰ যোগানৰ দৰকাৰী কাৰক। (শুদ্ধ/অশুদ্ধ)

.....

৫.৫ মুদ্রা গুণকৰ ধাৰণা ঃ

মুদ্রা গুণকৰ ধাৰণা বর্ণনাৰ বাবে মুদ্রা গুণক আৰু উচ্চ ক্ষমতা সম্পন্ন মুদ্রাৰ মাজৰ সম্বন্ধ আলোচনা কৰাটো দৰকাৰী। উচ্চ ক্ষমতা সম্পন্ন মুদ্রা হৈছে বাণিজ্যিক বেংকত থকা মুঠ সংৰক্ষণ আৰু জনসাধাৰণে হাতত জমা ৰখাৰ মুদ্রাৰ সমষ্টি। বেংকৰ ঋণ সৃষ্টি আৰু মুদ্রা গুণকৰ মান নির্ণয়ত উচ্চ ক্ষমতা সম্পন্ন মুদ্রাই আধাৰ হিচাপে কাম কৰে। ইয়াক তলত দিয়া ধৰণে বর্ণনা কৰিব পাৰি।

মুদ্রাৰ যোগান (Ms) হ'ল- বাণিজ্যিক বেংকৰ মুঠ মুদ্রা(D) আৰু জনসাধাৰণৰ হাতত জমা থকা মুঠ মুদ্রা (C)ৰ পৰিমাণ। গতিকে—

$$Ms = D+C \qquad — \qquad (১)$$

আনহাতে উচ্চ ক্ষমতা সম্পন্ন মুদ্রা (H) হ'ল জনসাধাৰণৰ হাতত জমা মুঠ মুদ্রা (C), প্রয়োজনীয় সংৰক্ষণ অনুপাত (RR) আৰু বাণিজ্যিক বেংকৰ অতিৰিক্ত জমা (ER)ৰ মুঠ সমষ্টি। গতিকে—

$$Hp = C + RR + ER \qquad — \qquad (২)$$

গতিকে Ms আৰু Hp ৰ সম্বন্ধ ইহঁতৰ অনুপাতৰ হিচাপত দেখুৱাব পাৰি—

$$\frac{Ms}{Hp} = \frac{\frac{D}{D} + \frac{C}{D}}{\frac{C}{D} + \frac{RR}{D} + \frac{ER}{D}} \quad — \quad (৩)$$

$$\frac{Ms}{Hp} = \frac{1 + \frac{C}{D}}{\frac{C}{D} + \frac{RR}{D} + \frac{ER}{D}} \quad — \quad (৪)$$

৪ নং সমীকৰণত $\frac{C}{D}$ৰ ঠাইত Cr, $\frac{RR}{D}$ৰ ঠাইত RRr আৰু $\frac{ER}{D}$ৰ ঠাইত ERr ব্যৱহাৰ কৰি আমি পাওঁ—

$$\frac{Ms}{Hp} = \frac{1 + Cr}{Cr + RRr + ERr} \quad — \quad (৫)$$

গতিকে মুদ্রাৰ যোগান আৰু উচ্চ ক্ষমতা সম্পন্ন মুদ্রা হ'ব—

$$Ms = \frac{1 + cr}{Cr + RRr + ERr} \times Hp \quad — \quad (৬)$$

এতিয়া, $\frac{1 + cr}{Cr + RRr + ERr}$ ক মুদ্রা গুণক (m) বুলি ধৰিলে আমি পাওঁ—

$$Ms = mH \quad — \quad (৭)$$

৭ নং সমীকৰণে মুদ্রা যোগানক মুদ্রা গুণক আৰু উচ্চ ক্ষমতা সম্পন্ন মুদ্রা ফলন হিচাপে বৰ্ণনা কৰে।

গতিকে ওপৰৰ বৰ্ণনাৰ পৰা এইটো স্পষ্ট যে মুদ্রাৰ গুণকৰ আকৃতি জনসাধাৰণৰ হাতত থকা নগদ জমা (Cr), প্ৰয়োজনীয় সংৰক্ষণ অনুপাত (RRr) আৰু বাণিজ্যিক বেংকৰ অতিৰিক্ত জমা অনুপাত (ERr)ৰ দ্বাৰা নিৰ্ধাৰিত হয়। এই অনুপাতবোৰৰ মান যিমানেই কম হয় মুদ্রাৰ গুণকৰ মানো সিমানেই অধিক হয়। মুদ্রা গুণকৰ মানৰ তাৎপৰ্য এয়ে যে যদিহে m ৰ মান সুস্থিৰ হয়, তেন্তে কেন্দ্ৰীয় বেংকে উচ্চ ক্ষমতা সম্পন্ন মুদ্রাৰ উৎপত্তিৰ জৰিয়তে মুদ্রাৰ যোগান সৃষ্টি কৰিব পাৰে।

৫.৬ ঋণ গুণকৰ ধাৰণা

ঋণ গুণক হৈছে এক প্ৰক্ৰিয়া যিয়ে এক নিৰ্দিষ্ট পৰিমাণৰ উচ্চ ক্ষমতা সম্পন্ন মুদ্রাৰ বৃদ্ধিৰ মানত গুণক পৰিমাণৰ বেংকৰ ঋণ সৃষ্টিৰ বৃদ্ধি, বেংকৰ জমা আৰু মুদ্রাৰ ওপৰত ক্ৰিয়া কৰে। বেংকৰ সংৰক্ষণ বৃদ্ধিৰ ফলত কিদৰে ঋণ আৰু জমা সৃষ্টি কৰে সেয়া ই বৰ্ণনা কৰে। ঋণ গুণক বৰ্ণনাৰ বাবে আমি কিছু অভিধাৰণাৰ জৰিয়তে বাস্তৱিক উদাহৰণসহ বিশ্লেষণটো দাঙি ধৰাটো সমীচীন হ'ব—

- বেংকে মাত্ৰ এক প্ৰকাৰৰ জমা সেৱাহে আগবঢ়ায়। যেনে— চাহিদা জমা (D)।
- বেংকৰ উপাৰ্জিত আয় মাত্ৰ বাণিজ্যিক ব্যক্তিক দিয়া ঋণৰ পৰা আহে।

- আকাংক্ষিত নগদ-জমা অনুপাত (C)ৰ গড় আৰু প্ৰান্তিক মান হ'ল ০.৫।
- বেংকৰ আকাংক্ষিত সংৰক্ষণ জমা অনুপাত (প্ৰয়োজনীয় সংৰক্ষণ অনুপাত আৰু অতিৰিক্ত সংৰক্ষণ অনুপাত উভয়কে সামৰি) হ'ল ১।
- নিৰ্দিষ্ট আৰু প্ৰচলিত হাৰত বেংকৰ ঋণৰ প্ৰতি চাহিদাৰ ব্যাঘাট নজন্মে যাতে সকলো সময়তে বেংকে ঋণ প্ৰদান কৰিব পাৰে।

ঋণ গুণকৰ অন্তৰ্নিহিত বিচাৰটো এয়ে যে সকলো জমাকাৰীয়ে একে সময়তে তেওঁলোকৰ জমা পুঁজি বেংকৰ পৰা উঠাই নলয়। আন দৰকাৰী দিশটো হ'ল প্ৰতিদিনে কিছু জমা বেংকৰ বহিঃগমন ঘটে আৰু কিছু নতুন জমা অন্তঃগমন ঘটে সেয়েহে বেংকত কিছু পৰিমাণৰ মুদ্ৰাহে নগদ হিচাপে থাকি যায় আৰু বাকী অংশৰ হয়তো ঋণ প্ৰদান হ'ব অথবা আয়ৰ বাবে বিনিয়োগ কৰা হয়।

এতিয়া আমি ধৰি লওঁ যে জনসাধাৰণৰ হাতত ৬০ কোটি টকাৰ চেক আছে। ধৰা হ'ল সকলো ধৰণৰ দেনা বাণিজ্যিক বেংকৰ চেকৰ মাধ্যমত কৰা হয়। এতিয়া জনসাধাৰণে (গ্ৰাহকে) এই মূল্যৰ চেক বাণিজ্যিক বেংকত সংগ্ৰহৰ বাবে জমা কৰিব। বেংকে এই ধনৰাশি সংগ্ৰহৰ পিছত গ্ৰাহকৰ নিজা হিচাপত জমা দেখুৱাব। গতিকে বেংকৰ জমা ৬০ কোটি টকা বৃদ্ধি পাব। ধৰা হ'ল নগদ জমা ০.৫, গতিকে গ্ৰাহকে ২০ কোটি টকা নগদ মুদ্ৰা হিচাপে বেংকৰ পৰা উঠায় লয় আৰু ৪০ কোটি টকা বেংকত D আৰু R হিচাপে জমা ৰাখে (২০/৪০)। গতিকে বেংকে এই ৪০ কোটি টকাৰ মূল্যৰ আমানত (জমা) বিক্ৰী কৰাৰ ক্ষমতা লাভ কৰে। এনে জমা যিয়ে বেংকৰ বাবে এক নতুন জমাৰ সূচনা কৰে তাক প্ৰাথমিক জমা বুলি কোৱা হয়। এই ৪০ কোটি টকাৰ নতুন জমাৰ পৰাই বেংকৰ গুণক ঋণ আৰু জমাৰ আৰম্ভ হয়। বেংকে এই ৪০ কোটি জমা ৰখা দৰকাৰী অথবা লাভজনক বুলি গণ্য নকৰে। কাৰণ এই নতুন জমাৰ পৰা কোনো ধৰণৰ সুত পোৱা নাযায়। প্ৰয়োজনীয় সংৰক্ষণ অনুপাত, ০.১ মতে বেংকে মাত্ৰ ৪ কোটি টকাহে জমা ৰাখিব আৰু বাকীখিনি (৩৬ কোটি) টকা ঋণ লওঁতাক ঋণ দিব। যেতিয়া বেংকে এই ৩৬ কোটি টকাৰ ঋণ আগবঢ়ায়, তেতিয়া আমানত প্ৰথম পৰ্যায় আৰম্ভ হয়। যিহেতু বেংকে জমা বা সংৰক্ষণৰ খৰচ কৰাটো অৰ্থনীতিত মুদ্ৰা যোগান বৃদ্ধিৰ অংশবিশেষ, সেয়েহে বেংকে মুদ্ৰাখিনি নগদ হিচাপে আগ নবঢ়ায়। গতিকে বেংকে ঋণ লওঁতাক সেই একেটা বেংকৰ পৰা চেকৰ মাধ্যমত ঋণ/জমা হিচাপৰ পৰা এক নিৰ্দিষ্ট সৰ্বোচ্চ পৰিমাণৰ ধন সংগ্ৰহৰ সুবিধা কৰি দিয়ে। এয়া হ'ল বাণিজ্যিক বেংকৰ আন এক বৈশিষ্ট্য। যেতিয়া ঋণীয়ে ঋণৰ পৰিমাণ বজাৰত খৰচ কৰে, তেতিয়া সেই ধন গ্ৰহণকাৰীজনে বেংকৰ পৰা চেকৰ এটা অংশ ধন সংগ্ৰহ কৰে আৰু এটা অংশ বেংকত জমা ৰাখে। অৱশ্যে কিমান পৰিমাণৰ টকা উঠোৱা হ'ব, সেয়া তেওঁৰ প্ৰয়োজনৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ উদাহৰণত আমি C ৰ মান ০.৫ বুলি ধৰিছো। সেয়েহে গ্ৰাহকজনে ১২ কোটি টকা নগদ মুদ্ৰা হিচাপে উলিয়াব আৰু বাকী ২৪ কোটি টকা বেংকত জমা ৰাখিব (১২/২৪)। চেকৰ দ্বাৰা ঋণ প্ৰদানৰ সাধাৰণ ধৰণটো হ'ল সংগ্ৰহৰ বাবে জমা কৰা। বেংকৰ পৰা নগদ

ধন উলিওৱাটোক নগদ মুদ্রা বহিঃগমণ বুলি কোৱা হয় আৰু জমাৰ পুনঃ আগমণে গৌণ জমাৰ বৃদ্ধি কৰে। গৌণ জমা প্ৰাথমিক জমাতকৈ পৃথক কাৰণ বেংকত কোনো নতুন জমা সংযোজন নঘটায়। বৰং এইবোৰ বেংকে নিজে নিজৰ ঋণৰ পৰা সৃষ্টি কৰে। ২০ কোটি টকা বৃদ্ধিৰ জৰিয়তে আমানত সৃষ্টিৰ দ্বিতীয় স্তৰ আৰম্ভ হয়। প্ৰথম স্তৰৰ ৩৬ কোটি টকাৰ বেংকে ২৪ কোটি জমা লাভ কৰে আৰু বাকী ১২ কোটি গ্ৰাহকক দিয়া ঋণৰ বাবে বহিঃগমন হয়। অৰ্থাৎ যদি ২৪ কোটি টকা নতুন জমা ধন থাকে, তেন্তে ২৪ কোটি টকা ঋণ প্ৰদানযোগ্য জমা থাকিব। কিন্তু এই আটাইখিনি ধনকে ঋণলৈ দিব নোৱাৰি। আকৌ ২৪ কোটি টকাৰ নতুন জমাৰ ২.৪ কোটি বেংকে নগদ জমা ৰাখিব আৰু ২১.৬ কোটি (২৪-২.৪) টকা ঋণ হিচাপে আগবঢ়াব। বেংকে এই পৰিমাণ আকৌ ঋণ হিচাপে আগবঢ়ায় আৰু ই আমানত সৃষ্টিৰ দ্বিতীয় স্তৰক সূচায়। আকৌ ঋণ পৰিমাণ ঋণ লওঁতাই যেতিয়া খৰচ কৰে মুদ্রা গ্ৰহণকাৰীজনে ১৪.৪ কোটি টকা বেংকত জমা কৰিব আৰু ৭.২ কোটি নগদ মুদ্রা হিচাপে উলিয়াই ল'ব। গতিকে মুদ্রাৰ বহিঃগমনে বেংকৰ জমা ২১.৬ কোটিৰ পৰা ১৪.৪ কোটি টকালৈ হ্ৰাস কৰে, যি পৰিমাণ তৃতীয় স্তৰৰ আমানত মুদ্রাৰ সমান। এনেদৰে কেইবাটা স্তৰলৈ এই প্ৰক্ৰিয়া চলি থাকে আৰু আমানত মুদ্রা সৃষ্টি হৈ গৈ থাকে। কিন্তু প্ৰতিটো স্তৰতে এই মুদ্রাৰ সংযোজন ক্ৰমাৎ কমি গৈ থাকে। কেইনচৰ ব্যয় গুণক তত্ত্বৰ দৰে, ঋণ, জমা আৰু মুদ্রাৰ প্ৰতিটো শৃংখল এটা জ্যামিতিক শৃংখলৰ দৰে। আমাৰ উদাহৰণটোত মুদ্রা সৃষ্টিৰ স্তৰসমূহত D হ'ব ক্ৰমে ৪০ কোটি, ২৭ কোটি, ১৪.৪ কোটি, ... আৰু ইহঁতৰ সমষ্টি হ'ব—

$$\frac{1}{C+r}\Delta H$$

বা $\frac{১}{০.৫+০.১}$ Δ৬০ কোটি = ১০০ কোটি

বেংকৰ ঋণ সৃষ্টিৰ স্তৰসমূহ হ'ব ক্ৰমে ৩৬, ২১.৬, ১২.৯৬..... আৰু ইহঁতৰ সমষ্টি হ'ব $\frac{1-r}{C+r}\Delta H$ বা (1–r)ΔD = ৯০ কোটি টকা। সেইদৰে যোগ কৰিলে মুদ্রা যোগানৰ সঞ্চালন হ'ব—

$$\frac{1-r}{C+r}\Delta H = ২.৫ \times ৬০ \text{ কোটি} = ১৫০ \text{ কোটি}$$

ওপৰৰ উদাহৰণত গুণকৰ মান হ'ব—

(a) জমা গুণক = $\frac{১}{C+r} = \frac{১}{.৬}$=১.৬৬৭

(b) ঋণ গুণক = $\frac{1-r}{C+r}$ = ১.৫

ঋণ গুণক হৈছে দুটা সম্পদৰ অনুপাতৰ ফলন ঃ C আৰু r। মুদ্রা যোগানৰ ভাষাত ইহঁতক ঋণ গুণকৰ নিকট নিৰ্ণায়ক বুলি কোৱা হয়। যিহেতু সিহঁত ব্যৱহাৰিক সম্পদ অনুপাত

সেয়েহে সিহঁত অন্য কিছুমান চলক যেনে সুতৰ হাৰ, দেশত বেংক ব্যৱস্থাৰ (বিশেষভাৱে গ্ৰাম্য অঞ্চলত) প্ৰসাৰৰ তীব্ৰতা, ক'লা মুদ্ৰাৰ আহৰণ আদিৰ ফলন।



অনুশীলনী ৫.২

উচ্চ ক্ষমতা সম্পন্ন মুদ্ৰা আৰু মুদ্ৰা গুণকৰ মাজত সম্বন্ধ বিচাৰ কৰিবলৈ চেষ্টা কৰক।

.....

.....

.....

.....

.....



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ৩ ঃ নগদ মুদ্ৰা অনুপাত মুদ্ৰা গুণক নিৰ্ণয়ৰ দৰকাৰী কাৰক (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৪ ঃ ঋণ গুণকে বেংক আমানত সৃষ্টিৰ বৃদ্ধিত প্ৰভাৱ পেলায়। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৫ ঃ উচ্চ ক্ষমতা সম্পন্ন মুদ্ৰা কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

প্ৰশ্ন ৬ ঃ মুদ্ৰা যোগানৰ কাৰকসমূহ উল্লেখ কৰক (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ৭ ঃ অৰ্থনীতিত মুদ্রাৰ আধাৰ আৰু মুঠ মুদ্রাৰ যোগানৰ মাজত সম্বন্ধ নিৰ্ণয় কৰক (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৫.৭ মুদ্রাৰ ব্যৱহাৰিক মাপ

ইতিমধ্যে আলোচনা কৰাৰ দৰে, এইটো স্পষ্ট যে মুদ্রা হৈছে এনে এটা বস্তু যিটোৰ মাপ ল'ব পাৰি। মুদ্রাৰ ব্যৱহাৰিক অৰ্থ বিচাৰৰ আগতে মুদ্রাৰ তাত্ত্বিক সংজ্ঞা নিৰ্ণয় কৰাটো জৰুৰী। এবাৰ তাত্ত্বিকভাৱে মুদ্রাৰ সংজ্ঞা নিৰূপণ কৰাৰ পিছত এই পাঠটিয়ে আপোনাক এক নিৰ্দিষ্ট সময়ত বিভিন্ন প্ৰকাৰৰ মুদ্রাৰ মুঠ যোগানৰ হিচাপ কৰাত সহায় কৰিব। অন্য অৰ্থত, মুদ্রাৰ ব্যৱহাৰিক সংজ্ঞাই অৰ্থনীতিত থকা মুঠ মুদ্রাৰ যোগানৰ বিষয়ে জ্ঞান দিব। উল্লেখনীয় যে মুঠ মুদ্রাৰ যোগানে এটা সময়ত অৰ্থনীতিত প্ৰচলিত মুদ্রাৰ পৰিমাণক বুজায়। মুদ্রাৰ যোগানে কেৱল কাগজী নোট বা ধাতু মুদ্রাকেই নহয়, বৰং বেংকত থকা চাহিদা জমা, কাল জমা আৰু ডাঁকঘৰৰ সঞ্চয়কো বুজায়। বৰ্তমান সময়ত, ভাৰতত মুদ্রাই কাগজী মুদ্রা, ধাতু মুদ্রা আৰু চাহিদা জমা আদি সকলোকে সামৰি লয়। ধাতু মুদ্রাক প্ৰতীকী মুদ্রা বুলিও কোৱা হয় যিহেতু ধাতুৰ অন্তৰ্নিহিত মূল্য ইয়াৰ লিখিত মূল্যতকৈ কম। আনহাতে কাগজী মুদ্রাৰ অন্তৰ্নিহিত মূল্য প্ৰায় নাই বুলিব পাৰি।

কাগজী মুদ্রাক সমান মূল্যৰ প্ৰতীকী মুদ্রা বা ধাতু মুদ্রালৈ পৰিৱৰ্তন কৰিব পাৰি। চাহিদা জমাক ধাতু মুদ্রা বা কাগজী নোট-ৰ দৰে হাতে হাতে ক্ৰয় ক্ষমতাত পৰিৱৰ্তন কৰিব নোৱাৰি। জমা হ'ল বেংকত জমাকাৰীৰ হিচাপত এক যোগাত্মক দিশ। চাহিদা জমাৰ সেই অংশকহে মুদ্রা বিবেচিত কৰা হ'ব যি অংশ চেকলৈ পৰিৱৰ্তন কৰিব পাৰি।

মুদ্রাৰ অন্য এক দিশ হ'ল মুদ্রা আৰু নিকট মুদ্রাৰ মাজত থকা পাৰ্থক্য। মুদ্রা হ'ল বিধিসম্মত আৰু ই বহনকাৰীক তাৰল্য দিয়ে। ই বিনিময়ৰ মাধ্যম হিচাপে কাম কৰে। আনহাতে নিকট মুদ্রাৰ কোনো বিধিগত মৰ্যাদা নাই। এইবোৰৰ তাৰল্য গুণ কিছু থাকিলেও মুদ্রাৰ দৰে অতি তৰল নহয়। মুদ্রাৰ মূল্য হিচাপে অৱশ্যে ইহঁত মুদ্রাৰ পূৰ্ণ প্ৰতিকল্প।

৫.৭.১. মুদ্রাৰ সংকীৰ্ণ সংজ্ঞা

ওপৰৰ আলোচনাত আমি মুদ্রা আৰু মুদ্রাৰ যোগানৰ মৌলিক ধাৰণাটো গঠন কৰিলোঁ। এই অংশত আমি ৰিজাৰ্ভ বেংকে দিয়াৰ দৰে সংকীৰ্ণ অৰ্থত মুদ্রাৰ যোগানৰ ব্যৱহাৰিক সংজ্ঞা নিৰূপণ কৰিম। মুদ্রাৰ সংজ্ঞাৰ শ্ৰেণী বিভাজন মুদ্রাৰ বিভিন্ন প্ৰকাৰৰ

তাৰল্যতাৰ ওপৰত নির্ভৰ কৰে। তাৰল্যতাৰ অর্থ হ'ল কিমান সহজে মুদ্রাক অন্য সম্পদলৈ পৰিৱর্তন কৰিব পৰা যায়।

ৰিজার্ভ বেংকৰ মতে মুদ্রাৰ যোগানৰ মাপ হ'ল এক ব্যৱহাৰিক বিষয়। ৰিজার্ভ বেংকে মুদ্রাৰ মাপৰ বিভিন্ন প্রকাৰসমূহ প্রকাশ কৰিছে। ১৯৬৭-৬৮ চনত ৰিজার্ভ বেংকে মুদ্রাৰ মাপৰ একমাত্র প্রকাৰ M_1 প্রকাশ কৰে। M_1 হ'ল জনসাধাৰণৰ হাতত থকা নগদ জমা আৰু চাহিদা জমাৰ সমষ্টি। M_1য়ে মুদ্রাৰ যোগানৰ পৰম্পৰাগত অর্থ প্রকাশ কৰে আৰু বিনিময়ৰ মাধ্যম বৈশিষ্ট্যৰ বিৱৰণ দিয়ে। ই হ'ল আটাইতকৈ তৰল গ্রহণযোগ্য বিনিময়ৰ মাধ্যম আৰু ঋণ পৰিশোধৰ উপায়।

১৯৭৭ চনত ৰিজার্ভ বেংকে আন কিছু মুদ্রাৰ মাপৰ প্রকাশ কৰে আৰু তেতিয়াৰে পৰা মূলতঃ চাৰি প্রকাৰৰ মুদ্রাৰ মাপৰ সূচনা হয়। প্রথমটো M বা M_1। M_1 হ'ল জনসাধাৰণৰ হাতত থকা নগদ জমা (C), বাণিজ্যিক বেংকত থকা তেওঁলোকৰ চাহিদা জমা (DD) আৰু ৰিজার্ভ বেংকত থকা অন্য জমাৰ (OD) ৰ সমষ্টি। অর্থাৎ

$$M_1 = C + DD + OD \quad — \quad (১)$$

সমীকৰণত নগদ জমাই (C) কাগজী নোট আৰু ধাতু মুদ্রা উভয়কে সামৰি লয়। অৱশ্যে ৰিজার্ভ বেংকে ছপা কৰা কাগজী নোট যেনে, দুটকা, পাঁচ টকা, দহ টকা, বিছ টকা, পঞ্চাছ টকা, এশ টকা, দুশ টকা, পাঁচশ টকা আৰু দুহেজাৰ টকাৰ নোটেই সর্বাধিক। ইয়াৰ উপৰিও বিত্ত মন্ত্রণালয়, ভাৰত চৰকাৰে এক, দুই, পাঁচ আৰু দহটকীয়া ধাতু মুদ্রা যোগান ধৰে। ৰিজার্ভ বেংকে চৰকাৰৰ এজেণ্ট হিচাপে এইবোৰৰ প্রচাৰ কৰে।

M_1ৰ দ্বিতীয় ভাগ হ'ল চাহিদা জমা। কিন্তু চাহিদা জমাই বেংকৰ মুঠ চাহিদা জমাক নুবুজায়, কেৱল প্রকৃত বা নিগুট চাহিদা জমাকহে বুজায়। ইয়াৰ কাৰণ হ'ল জনসাধাৰণে বেংকত ৰখা জমা আৰু অন্তঃ বেংক জমাকহে মুদ্রা হিচাপে বিবেচনা কৰা হয়। অন্তঃ বেংক জমা হ'ল এটা বেংকে আন এটা বেংকত ৰখা জমা। যিহেতু এনেবোৰ জমাও জনসাধাৰণে ৰখা জমাই হয়, সেয়েহে মুঠ জমাৰ পৰা নিগুট বা প্রকৃত জমা উলিওৱা হয়।

M_1ৰ তৃতীয় ভাগটো হ'ল চৰকাৰে, ৰিজার্ভ বেংক বা অন্য বিত্তীয় অনুষ্ঠান যেনে অর্ধ-চৰকাৰী অনুষ্ঠান যেনে IDBI, বিদেশী কেন্দ্রীয় বেংক, বিদেশী ৰাষ্ট্র, আন্তঃৰাষ্ট্রীয় মুদ্রানিধি (IMF), বিশ্ববেংক আদিয়ে ৰখা জমা। অৱশ্যে M_1ৰ এই তৃতীয় ভাগটোত নিচেই কম পৰিমাণৰ মুদ্রাহে থাকে।

গতিকে M_1ক মুদ্রাৰ সংকীর্ণ সংজ্ঞা বুলি ক'ব পাৰি যিয়ে মুদ্রাৰ আটাইতকৈ তৰল আৰু গ্রহণযোগ্য অংশক সামৰি লয় আৰু যাক বিনিময়ৰ মাধ্যম তথা ঋণ

পৰিশোধৰ উপায় হিচাপে বিবেচনা কৰা হয়। মুদ্রাৰ আন আন মাপসমূহ যেনে M_2, M_3 আৰু M_4ৰ বিষয়ে এই পাঠৰ পৰৱৰ্তী অংশত আলোচনা কৰা হ'ব।



অনুশীলনী ৫.৩

M_1ৰ উপাদানসমূহ বিচাৰি উলিৱাওক।

.....

.....

.....

.....

.....

৫.৭.২. মুদ্রাৰ বিস্তৃত সংজ্ঞা

পাঠৰ এই অংশত ৰিজাৰ্ভ বেংকে দিয়া মুদ্রাৰ আন আন মাপবোৰ যেনে— M_2, M_3 আৰু M_4ৰ বিষয়ে আলোচনা কৰা হৈছে।

১৯৬৭-৬৮ চনৰ পৰা ৰিজাৰ্ভ বেংকে মুদ্রাৰ ব্যাপক মাপ যাক সামগ্রিক মুদ্রাগত সম্পদ বুলি জনা যায়, প্রকাশ কৰিবলৈ আৰম্ভ কৰে। ব্যৱহাৰিকভাৱে ইয়াক M_1ৰ লগত বেংকত থকা জনসাধাৰণৰ কাল জমাৰ যোগফল বুলি কোৱা হয়। ১৯৭৭ চনৰ এপ্রিল মাহৰ পৰা এই মাপত ৰিজাৰ্ভ বেংকে পৰিৱর্তন আনে। তেতিয়াৰে পৰা ৰিজাৰ্ভ বেংকে মুদ্রাৰ যোগান নির্ণয়ৰ বাবে চাৰি ধৰণৰ বিকল্প মাপৰ প্রকাশ কৰে। এই চাৰিবিধ মাপ যেনে— M_1, M_2, M_3 আৰু M_4ৰ ভিতৰত M_1 ক আটাইতকৈ তৰল বিবেচনা কৰা হয়। এই বিষয়ে পূর্বতে সবিশেষ আলোচনা কৰা হৈছে।

ৰিজাৰ্ভ বেংকে দেখুওৱাৰ দৰে M_2য়ে M_1ৰ সকলো উপাদান সামৰি লয়। ইয়াৰ উপৰিও ডাকঘৰৰ বেংক জমাকো সামৰি লয়। ডাকঘৰে দুই ধৰণৰ জমা গ্রহণ কৰে যেনে— সঞ্চয়ী জমা আৰু কাল জমা। কাল জমাই পুনৰাবৃত্ত জমা আৰু সঞ্চয়ী কাল জমাকো সামৰি লয়। ডাকঘৰৰ জমা চাহিদা অনুযায়ী নির্দিষ্ট প্র-পত্রৰ জৰিয়তে উঠাই ল'ব পাৰি। জমাৰ চেক জড়িত অংশৰ পৰিমাণ নিচেই কম। এই জমা উলিওৱাৰ ক্ষেত্রত এবাৰ উলিয়াব পৰা সর্বাধিক মুদ্রাৰ পৰিমাণ আৰু ধন উলিওৱা সংখ্যাৰ সীমাবদ্ধতা আছে। গতিকে ডাকঘৰৰ সঞ্চয়ৰ মুদ্রা লেনদেন অনুযায়ী সম্পূর্ণ সুচল নহয় সেয়েহে M_2, M_1ৰ তুলনাত কম তৰল।

গতিকে, M_2 = M_1+ ডাকঘৰৰ সঞ্চয়ী জমা

এতিয়া M_3 আৰু M_4ৰ সৈতে পৰিচিত হ'ব পাৰো। মুদ্রাৰ M_3 মাপে মুদ্রাৰ

সামগ্রিক সম্পদক বুজায়। মুদ্রাৰ এই মাপে M_1ৰ সকলো উপাদান আৰু বাণিজ্যিক তথা সঞ্চয় বেংকৰ (অন্তঃ বেংক জমা বাদ দি) অন্যান্য জমাক সামৰি লয়।

গতিকে, M_3 = বাণিজ্যিক আৰু সমবায় বেংকৰ অন্যান্য জমা (অন্তঃ বেংক জমা বাদ দি)

সেইদৰে M_4ৰ পৰিমাণ উলিয়াব পাৰি। M_4 হ'ল মুদ্রাৰ মাপসমূহৰ ভিতৰত আটাইতকৈ কম তৰল। এই M_4 হ'ব M_3 আৰু মুঠ ডাকঘৰ জমাৰ সমষ্টি।

গতিকে, M_4 = M_3 + ডাকঘৰৰ সৰ্বমুঠ জমা (ৰাষ্ট্ৰীয় জমা প্ৰমাণ-পত্ৰ বাদ দি)

এই আটাইকেইটাৰ ভিতৰত M_1ৰ আটাইতকৈ বেছি তাৰল্য গুণ আছে। বাকীবোৰৰ ক্ৰমাৎ তাৰল্য কম আৰু M_4ৰ আটাইতকৈ কম তাৰল্যতা আছে।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন ৮ ঃ বিনিময়ৰ মাধ্যম হিচাপে কাম কৰা যিকোনো বস্তুৱে মুদ্রা। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৯ ঃ বিনিময় মাধ্যমক মুদ্রাৰ একমাত্ৰ আৰু প্ৰাথমিক কাৰ্য বুলি বিবেচনা কৰা হয়। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ১০ ঃ M_1ক মুদ্রাৰ আটাইতকৈ তৰল প্ৰকাৰ বুলি বিবেচনা কৰা হয়। (সঁচা/মিছা)

.....

প্ৰশ্ন ১১ ঃ M_1তকৈ M_2 কিয় কম তৰল মুদ্রা? (৭০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন ১২ ঃ M_1, M_2, M_3 আৰু M_4ৰ ভিতৰত কোনবিধৰ আটাইতকৈ বেছি আৰু কোনবিধৰ আটাইতকৈ কম তাৰল্য গুণ আছে? (২০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

প্ৰশ্ন ১৩ ঃ মুদ্রা যোগানৰ উপাদানসমূহৰ উল্লেখ কৰা। (৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুদ্রাৰ যোগান হ'ল কোনো এক নিৰ্দিষ্ট সময়ত জনসাধাৰণৰ হাতত থকা আৰু অৰ্থনীতিত প্ৰচলিত মুঠ মুদ্রাৰ পৰিমাণ।
- মুদ্রাৰ যোগানৰ বিভিন্ন কাৰক আছে, যেনে— মুদ্রাৰ আধাৰ, প্ৰয়োজনীয় জমা অনুপাত, বেংকৰ অতিৰিক্ত জমা অনুপাত, মুদ্রানীতি, জনসাধাৰণৰ মুদ্রা জমা ৰখা প্ৰৱণতা আৰু বেংকৰ ওপৰত মানুহৰ বিশ্বাসযোগ্যতা।
- মুদ্রা গুণক হ'ল অৰ্থনীতিত মুঠ মুদ্রা যোগানৰ এক অন্যতম কাৰক।
- মুদ্রা গুণকৰ মান জনসাধাৰণৰ নগদী মুদ্রা অনুপাত (Cr), প্ৰয়োজনীয় সংৰক্ষণ অনুপাত (RRr) আৰু বেংকৰ অতিৰিক্ত জমা অনুপাত (ERr) ৰ দ্বাৰা উলিওৱা হয়।
- মুদ্রা গুণক (m) তাৎপৰ্য এই যে যদি মুদ্রা গুণকৰ মান স্থিৰ হয়, কেন্দ্ৰীয় বেংকে উচ্চ ক্ষমতাসম্পন্ন মুদ্রা সৃষ্টিৰ জৰিয়তে মুদ্রাৰ যোগান সৃষ্টি কৰিব পাৰে।
- ঋণ গুণক এছোৱা সময়ৰ এক প্ৰক্ৰিয়া, যিয়ে এক নিৰ্দিষ্ট উচ্চ ক্ষমতাসম্পন্ন মুদ্রাৰ পৰা গুণক পৰিমাণ মুদ্রা বৃদ্ধি আৰু আমানত সৃষ্টি কৰে।
- তাৰল্যতাৰ ওপৰত ভিত্তি কৰি ৰিজাৰ্ভ বেংকে মুদ্রাক M_1, M_2, M_3 আৰু M_4 এই চাৰি শ্ৰেণীত ভাগ কৰিছে।
- M_1 হৈছে মুদ্রাৰ আটাইতকৈ তৰল ৰূপ আৰু ইয়াৰ পিছত আহে ক্ৰমে M_2, M_3 আৰু M_4।
- ৰিজাৰ্ভ বেংকে মুদ্রাৰ চাৰি প্ৰকাৰৰ মজুত বিবেচনা কৰে, যেনে— M_1, M_2, M_3 আৰু M_4 (তাৰল্যতাৰ অধঃক্ৰমত)



৫.৯ অধিক জানিবৰ বাবে

1. Gupta, S. B. (2003) *Monetary Economics : Institutions, Theory and Policy.* S. Chand & Company Ltd.
2. Jhinghan, M. L. (2012). *Monetary Economics :* Vrinda Publication Pvt. Ltd.
3. Mithani, D. M. (2002). *A Course in Macroeconomics.* Mumbai: Himalaya Publishing House.
4. Paul, R. R. (2008). *Monetary Economics.* Ludhiana : Kalyani Publisher.
5. Rana, K. C. & Verma, K. N. (2009). *Macro Economic Analysis.* New Delhi: Vishal Publishing Co.
6. Sheth, M. L. (2002). *Monetary Economics.* Agra: Lakshmi Narayan Agarwal.

৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫ নং প্রশ্নৰ উত্তৰ ঃ উচ্চ ক্ষমতা সম্পন্ন মুদ্রা হ'ল মুদ্রা যোগানৰ কাৰক য'ত তলৰ উপাদানসমূহ থাকে—

(i) সোণৰ জমা (ii) চৰকাৰে ছপা কৰা মুদ্রা (ধাতু মুদ্রা আৰু কাগজী মুদ্রা), (iii) কেন্দ্রীয় চৰকাৰৰ দেনা যেনে— ঋণ, ঋণপত্র ইত্যাদি। অর্থাৎ—

উচ্চ ক্ষমতা সম্পন্ন মুদ্রা (H) = C + RR + ER

য'ত C = কাগজী মুদ্রা (Currency), RR = সংৰক্ষণ অনুপাত (Reserve Ratio) আৰু ER = অতিৰিক্ত জমা (Excess Reserve)।

৬ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রা যোগানৰ কাৰকসমূহ আভ্যন্তৰীণ আৰু বাহ্যিক। মুদ্রা যোগানৰ বাহ্যিক কাৰকসমূহ কেন্দ্রীয় বেংকৰ দ্বাৰা নির্ধাৰিত। আভ্যন্তৰীণ কাৰকসমূহ অর্থনৈতিক কার্যকলাপসমূহৰ পৰিৱর্তনৰ ফলত দেখা দিয়ে যিয়ে জমাৰ তুলনাত

মানুহে টকা হাতে জমা ৰখা আৰু সুতৰ হাৰ আদিৰ ওপৰত প্ৰভাৱ পেলায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মুদ্রাৰ আধাৰ মুদ্রা যোগানৰ আটাইতকৈ দৰকাৰী কাৰক হিচাপে বিবেচনা কৰা হয়। মুদ্রাৰ আধাৰৰ লগত সংগতি ৰাখি মুদ্রাৰ যোগান পোনপটীয়াকৈ সলনি হয়। মুদ্রাৰ আধাৰে কেন্দ্ৰীয় বেংকৰ নগদ অথবা জমা হিচাপে থকা মুদ্রাৰ যোগানক বুজায়। মুদ্রাৰ আধাৰ চৰকাৰৰ নীতি অথবা মুদ্রাৰ মূল্যৰ দ্বাৰা প্ৰভাৱান্বিত হয়।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰিজাৰ্ভ বেংকে দেখুওৱাৰ দৰে M_2য়ে M_1ৰ সকলো উপাদানকে ধৰি লয়। ইয়াৰ উপৰিও M_2য়ে ডাকঘৰ বেংক জমাকো সামৰি লয়। ডাকঘৰে মূলতঃ দুই ধৰণৰ জমা গ্ৰহণ কৰে— সঞ্চয়ী জমা আৰু কাল জমা। কাল জমাই পুনৰাবৃত্ত জমা আৰু সঞ্চয়ী কাল জমাক সামৰি লয়। ডাকঘৰৰ সঞ্চয় নিৰ্দিষ্ট তালিকা পূৰণৰ জৰিয়তে উলিয়াব পাৰি। এই জমাৰ চেকৰ দ্বাৰা লেনদেন কৰিব পৰা অংশ নিচেই কম। অৱশ্যে টকা উলিওৱাৰ সৰ্বাধিক পৰিমাণ আৰু লেনদেনৰ সংখ্যাৰ পৰিমাণৰ সীমাৱদ্ধতা আছে। গতিকে ডাকঘৰৰ টকা জমা ৰখাটো পূৰ্ণাংগ নহয় যিয়ে M_2ক M_1তকৈ কম তৰল বিবেচিত কৰে।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ এই মাপসমূহৰ ভিতৰত M_1ৰ আটাইতকৈ বেছি তাৰল্য গুণ আছে। আন মাপসমূহে ক্ৰমান্বয়ে কম তাৰল্য বুজায় আৰু M_4 আটাইতকৈ কম তাৰল্যযুক্ত।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ মুদ্রাৰ যোগানৰ উপাদানসমূহ হ'ল—

$M_1 = C + DD + OD$, য'ত C = Currency (নগদ মুদ্রা),
DD = Demand Deposits (চাহিদা জমা),
OD = Other Deposits (অন্য জমা)

$M_2 = M_1$ + ডাকঘৰ জমা

$M_3 = M_2$ + নিগুট কাল জমা

$M_4 = M_3$ + ডাকঘৰৰ মুঠ জমা— ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণ পত্ৰ।



৫.১১ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এখন দেশৰ মুদ্রাৰ আধাৰ কি?

প্ৰশ্ন ২ ঃ উচ্চ ক্ষমতা সম্পন্ন মুদ্রা কি?

প্ৰশ্ন ৩ ঃ মুদ্রাৰ যোগানৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ৪ ঃ মুদ্রাৰ প্ৰচলনে কিদৰে মুদ্রাৰ যোগানত প্ৰভাৱ পেলায়?

প্ৰশ্ন ৫ ঃ মুদ্রাৰ যোগানৰ মাপসমূহৰ তাৰল্যতাৰ প্ৰাবল্য বৰ্ণনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ এটা অৰ্থনীতিত মুদ্রাৰ আধাৰৰ পৰিৱৰ্তনে কিদৰে মুদ্রাৰ যোগানত প্ৰভাৱ পেলায় বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ উচ্চ ক্ষমতা সম্পন্ন মুদ্রা আৰু মুদ্রা যোগানৰ মাজত সম্পৰ্ক বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ মুদ্রা গুণক নিৰ্ণয়ৰ প্ৰক্ৰিয়াটো বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ ঋণ গুণকৰ সহায়ত বেংকে আমানত মুদ্রা সৃষ্টি কৰা প্ৰক্ৰিয়াটো বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ মুদ্রাৰ সংকীৰ্ণ সংজ্ঞাটো সমালোচনাসহ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ মুদ্রা যোগানৰ উপাদানসমূহ বৰ্ণনা কৰক।

** ***** **